# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 30-01-2025
**Time :** 1715 Hrs

## *Assamese Evening Bulletin*

অসম সাহিত্য সভাৰ সৰ্বোচ্চ সন্মান সদস্য মহীয়ানৰ লগতে সাহিত্যাচাৰ্য সন্মান আজি আনুষ্ঠানিকভাৱে প্ৰদান কৰা হয়। গুৱাহাটীৰ লক্ষ্মীৰাম বৰুৱা সদনত আয়োজিত অনুষ্ঠানত অসম সাহিত্য সভাই সাহিত্যিক তথা অধ্যাপক থানেশ্বৰ শৰ্মা আৰু অধ্যাপক মহেশ্বৰ হাজৰিকাক সদস্য মহীয়ান সন্মান প্ৰদান কৰে। এই অনুষ্ঠানত সাহিত্যিক আনন্দ বৰমুদৈ, অধ্যাপক ইদ্ৰিছ আলী, অধ্যাপিকা কৰবী ডেকা হাজৰিকা আৰু অধ্যাপক ভীমকান্ত বৰুৱাক সাহিত্যাচাৰ্য সন্মান প্ৰদান কৰা হয়। একেটা অনুষ্ঠানতে বিশিষ্ট কবি আনিছ উজ জামানক অসম সাহিত্য সভাৰ জাতীয় কবি সন্মান প্ৰদান কৰা হয়।

00000

কামৰূপ মহানগৰ জিলাৰ বিভিন্ন মাধ্যমিক বিদ্যালয়ৰ পৰা কাইলৈ অৱসৰ গ্ৰহণ কৰিবলগীয়া প্ৰধান শিক্ষক, বিষয় শিক্ষক, সহকাৰী শিক্ষক তথা চতুৰ্থ বৰ্গৰ কৰ্মচাৰীকে ধৰি মুঠ ১৯ গৰাকীক আজি পেঞ্চন সম্বন্ধীয় প্ৰয়োজনীয় নথি-পত্ৰসমূহ প্ৰদান কৰা হয়। গুৱাহাটীৰ পাণবজাৰত আয়োজিত অনুষ্ঠানত কামৰূপ মহানগৰ জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শক দীপিকা চৌধুৰীয়ে অৱসৰ ল'বলগীয়া আটাইগৰাকী শিক্ষক-কৰ্মচাৰীক এই নথি-পত্ৰসমূহ প্ৰদান কৰে। অনুষ্ঠানত অসম মাধ্যমিক শিক্ষক কৰ্মচাৰী সন্থাৰ সাধাৰণ সম্পাদক গোবিন্দ চন্দ্ৰ কলিতা উপস্থিত থাকে।

00000

সমগ্ৰ দেশৰ লগতে অসমৰ বিভিন্ন প্ৰান্তত আজি জাতিৰ পিতা মহাত্মা গান্ধীৰ মৃত্যু দিৱস পালন কৰা হয়। ৰাষ্ট্ৰীয় ছহিদ দিৱস উপলক্ষে জনতা ভৱনত আয়োজিত কাৰ্যসূচীত ভূমি সংৰক্ষণ বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্মৰ লগতে ৰাজ্যৰ অতিৰিক্ত মুখ্য সচিবসহ শীৰ্ষ আমোলা উপস্থিত থাকে। অসম প্ৰদেশ কংগ্ৰেছেও গুৱাহাটীৰ ৰাজীৱ ভৱনত ৰাষ্ট্ৰীয় ছহিদ দিৱস পালন কৰে। এন এছ ইউ আইৰ সহযোগত আয়োজিত এই কাৰ্যসূচীত মহাত্মা গান্ধীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জনোৱা হয়। এই অনুষ্ঠানত ৰাষ্ট্ৰীয় কংগ্ৰেছৰ জ্যেষ্ঠ নেতা দিগ্বিজয় সিঙৰ লগতে অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন কুমাৰ বৰা, জ্যেষ্ঠ নেতা ৰিপুণ বৰা, মীৰা বৰঠাকুৰ আৰু বিধায়ক নন্দিতা দাস উপস্থিত থাকে। ৰাজ্যৰ আন আন প্ৰান্ততো বিভিন্ন কাৰ্যসূচীৰে ৰাষ্ট্ৰীয় ছহিদ দিৱস পালন কৰা হয়। এই সন্দৰ্ভত আমাৰ সহযোগী সুস্মিতা কলিতাই এইদৰে কয়—- **ভইচ (সুস্মিতা কলিতা)**

00000

বজালী জিলাৰ পাঠশালাত কাইলৈৰ পৰা পাঁচদিনীয়া কাৰ্যসূচীৰে হ'বলগীয়া অসম সাহিত্য সভাৰ সপ্তসপ্ততিতম দ্বি-বাৰ্ষিক অধিৱেশনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। এই অধিবেশনৰ কেন্দ্ৰ কৰি সমগ্ৰ

জিলাখনতে উৎসাহ উদ্দীপনাৰ পৰিবেশে বিৰাজ কৰিছে। অধিবেশনৰ আদৰণি সমিতিয়ে সাহিত্য সভাৰ এই অধিবেশনৰ অংশ হিচাপে বজালী শীৰ্ষক এটি গীত মুকলি কৰা হৈছে। ড০ বিনীতা বৰা দেৱচৌধুৰীৰ কথা আৰু অৰূপ জ্যোতি বৰুৱাৰ সুৰ আৰু সংগীত পৰিচালনাৰে এই গীতটিয়ে বজালীৰ সংস্কৃতি, ইতিহাস আৰু ঐতিহ্যক বহুমাত্ৰিক ৰূপত তুলি ধৰিছে।

ঃগীতঃ

কাইলৈ পুৱা চাৰে ৮ বজাত নামঘৰৰ দ্বাৰ উদ্ঘাটনেৰে সাহিত্য সভাৰ পাঠশালা অধিৱেশনৰ কাৰ্যসূচী আৰম্ভ হ'ব। বামাখাটা সত্ৰৰ সত্ৰাধিকাৰ প্ৰবোধ দেৱ অধিকাৰীয়ে নামঘৰৰ দ্বাৰ মুকলি কৰিব আৰু নাজিৰাৰ সমাজকৰ্মী যতীন লাহনে বন্তি প্ৰজ্বলন কৰিব। পুৱা ৯ বজাত পাঠশালা অধিৱেশনৰ আদৰণি সমিতিৰ সভাপতি ৰঞ্জিত কুমাৰ দাসে ভট্টদেৱ ক্ষেত্ৰ মুকলি কৰিব।

সাহিত্য সভাৰ অধিৱেশনৰ বাবে নাট্য নগৰী পাঠশালাৰ জনসাধাৰণৰ মাজত উলহ-মালহৰ পৰিবেশৰ সৃষ্টি হৈছে। সাহিত্য অনুৰাগী তথা অন্যান্য অতিথিসকলক আদৰাৰ বাবে পাঠশালাবাসী সাজু হৈছে। এই অধিৱেশনৰ সাংস্কৃতিক শোভাযাত্ৰাত বৰ অসমৰ আৰ্হিৰ প্ৰতিফলন ঘটোৱাৰ প্ৰয়াস কৰা হ'ব। দুখন বাহনত প্ৰতীকী ৰূপত বজালীৰ ঐতিহাসিক ডুবি দেৱালয়, ভোগেশ্বৰী মন্দিৰ আৰু এছিয়াৰ দ্বিতীয় সৰ্ববৃহৎ জালিখাটাৰ বটগছৰ লগতে অসমৰ ভিন্ন কলা-সংস্কৃতি আটকধুনীয়া ৰূপত তুলি ধৰা হ'ব। এই ব্যতিক্ৰমী সাংস্কৃতিক শোভাযাত্ৰাৰ বাবে শিল্পীসকল অহৰহ ব্যস্ত হৈ আছে। সাহিত্য সভাৰ অধিৱেশন এইবেলি প্ৰথমবাৰলৈ বাটৰ কবিতাৰ আয়োজন কৰা হৈছে। একেদৰে এইবাৰৰ অধিৱেশনত বাণিজ্য মেলাৰ পৰিৱৰ্তে বিজ্ঞান মেলাৰ দিহা কৰা হৈছে। বজালীৰ উৎপাদিত সামগ্ৰী, খাদ্য সম্ভাৰেৰে বজালী হাটৰো ব্যৱস্থা কৰা হৈছে। অধিৱেশনথলীত ৭৭ বৰ্গ ফুটৰ বৃহৎ জাপি সাজি উলিওৱা হৈছে। এই জাপিটো চোৱাৰ বাবে ইতিমধ্যে অধিবেশনথলীলৈ অগণন লোকৰ সমাগম হৈছে। এই অধিবেশনত সাহিত্য ক্ষেত্ৰৰ বিশিষ্ট ব্যক্তিসকলৰ লগতে ৰাজ্য চৰকাৰৰ বিভিন্ন বিভাগৰ ১০০তকৈও অধিক প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই সাহিত্য সভালৈ গৈ গ্ৰন্থ ক্ৰয় কৰাৰ বাবে মন্ত্ৰী, বিধায়ক আৰু চৰকাৰী বিষয়াসকলক ইতিপূৰ্বে আহ্বান জনাইছে।

০০০০০

উত্তৰাখণ্ডৰ ডেৰাডুনত অনুষ্ঠিত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত উশ্বুৰ জৰিয়তে অসমে প্ৰথমটো পদক অৰ্জন কৰিবলৈ সমৰ্থ হৈছে। উশ্বু খেলুৱৈ ছনমা ব্ৰহ্মাই অসমক ৰূপৰ পদক উপহাৰ দিয়ে।

০০০০০

সমাপ্ত